# নম্ৰভাৱে তেওঁবিলাকৰ পৰিচৰ্য্যা কৰি যীচুৱে চলাওঁতাবিলাকক শিক্ষা দিছিল

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, ল'ৰা-ছোৱালীবিলাকে নম্ৰভাৱে আন লোকক সহায় কৰিবলৈ সহায় কৰক। উদাহৰণস্বৰূপে যীচুৱে যেনেকৈ তেওঁৰ শিষ্যবিলাকৰ ভৰি ধুৱাইছিল।

লৰা-ছোৱালীবিলাকৰ বয়স আৰু প্ৰয়োজন অনুযায়ী **কাম-কাজবোৰ** বাচি লওঁক।

আন লোকক কিদৰে নম্ৰভাৱে পৰিচৰ্য্যা কৰিব লাগে, যীচুৱে তেওঁৰ শিষ্য বিলাকক বুজোৱা সেই কথা **যোহন ১৩:১-১৭** পৰা শিক্ষক পঢ়িব অথবা মুখস্থ কব।

**ব্যাখা কৰক ঃ**

- তেওঁৰ উদাহৰণেৰে যীচুৱে তেওঁৰ শিষ্যবিলাকক শিক্ষা দিছিল।
- আনৰ পৰিচৰ্য্যা কেনেদৰে কৰিব লাগে, এজন নম্ৰ দাসৰ দৰে যীচুৱে তেওঁ লোকৰ পৰিচৰ্য্যা কৰিছিল।

প্ৰশ্ন কৰক *(প্ৰত্যেক প্ৰশ্নৰ পিছত উত্তৰ দিয়া আছে) ঃ*

- তেওঁৰ শিষ্যবিলাকক কিমান কাললৈ যীচুৱে প্ৰেম কৰিছিল? *(যোহন ১৩: ১)*
- তেওঁৰ শিষ্যবিলাকৰ পৰিচৰ্য্যা যীচুৱে কেনেকৈ কৰিছিল? *(৫ পদ)*
- যিহূদাই তেওঁক বিশ্বাসঘাত কৰিব বুলি যীচুৱে জানিছিলনে? *(১১ পদ)*
- পৰস্পৰে নম্ৰভাৱে পৰিচৰ্য্যা কৰিবলৈ চলাওঁতাবিলাকক যীচুৱে কি দৰে শিকালে? *(১৫ পদ)*
- আমি আনক নম্ৰভাৱে পৰিচৰ্য্যা কৰিলে যীচুৱে আমালৈ কি কৰিব? *(১৭ পদ)*

**নাটক কৰি দেখুৱাউক ঃ** যীচুৱে শিষ্যবিলাকৰ ভৰি ধুউৱা গল্প (যোহন ১৩:১-১৭) ল'ৰা-ছোৱালীয়ে নাটক খন কৰি দেখুৱাবলৈ উপাসনাৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰক। ল'ৰা-ছোৱালীক শিকোৱাৰ সময়ত নাটক প্ৰস্তুত কৰাত ব্যৱহাৰ কৰক। গল্পটোৰ গোটেইখিনি অংশ নললেও হব। নাটক প্ৰস্তুত ডাঙৰ লৰা-ছোৱালীয়ে সৰুবোৰ সহায় কৰিবলৈ দিয়ক।



- **বয়সীয়া সকলক যীচু, পিতৰ** আৰু বৰ্ণনাকাৰীৰ ভাও লবলৈ দিয়ক। যীচুৰ হাতত পানীৰ চৰিয়া আৰু এখন গামোচা থাকিব।
- সৰু ল'ৰা-ছোৱালীক **পিতৰ, যিহূদা** আৰু **শিষ্যবিলাকৰ** ভাও দিয়ক।

**বৰ্ণনাকাৰীঃ** যোহন ১৩:১-৭ পৰা যীচুৱে শিষ্যবিলাকৰ ভৰি ধুউৱা প্ৰথম খণ্ড কওঁক।

**যীচুঃ** থিয় হৈ কঁকালত গামোছাখন বান্ধে। এতিয়া পিতৰৰ সন্মুখত আঁঠু লৈ চৰিয়াৰ পৰা পানীলৈ তেওঁক ধুৱায়। আৰু কয় মই তোমালোকক অতিকৈ ভাল পাওঁ। অতি সোনকালে মই তোমালোকক এৰি মোৰ স্বৰ্গীয় পিতৃৰ ওচৰলৈ ঘূৰি যাম।

**শিষ্যবিলাকঃ** নহয়, নহয়। বুলি চিঞৰিব। আপুনি আমাক এৰি যাব নোৱাৰে। আপুনি নাযাব।

**যীচুয়ে কয়ঃ** এতিয়া মই তোমালোকক কিবা শিকাবলৈ আছে। (পিতৰৰ ভৰি ধুবলৈ আৰম্ভ কৰে)

**শিষ্যবিলাকঃ** এজন দাসৰ দৰে যীচুৱে কিয় আমাৰ ভৰি ধুব? এইবুলি চিঞৰিব। তেওঁ আমাৰ গুৰু। তেওঁ আমাৰ চাকৰ নহয়। তেওঁ এইদৰে কৰা অনুচিত।

**বৰ্ণনাকাৰীঃ** পিতৰে কি কয় শুনক।

**পিতৰঃ** যীচু, ৰব। কিয় আপুনি মোৰ ধুৱাইছে? আপুনি মোৰ গুৰু।

**যীচুঃ** মই ভাল পোৱা সকলৰ পৰিচৰ্য্যা সদায় কৰোঁ। তোমাক পৰিস্কাৰ কৰিবলৈ মোৰ প্ৰয়োজন।

**বৰ্ণনাকাৰীঃ** যোহন ১৩:৮-১৭ ৰ পৰা গল্পটোৰ দ্বিতীয় খণ্ড কওঁক। এতিয়া কওঁক, শুনক, পিতৰে কি কয়।

**পিতৰঃ** তেনেহলে মোৰ হাত আৰু মোৰ মূৰো ধুই দিয়ক।

**যীচুঃ** নহয়, মই তোমালৈ প্ৰয়োজন খিনিহে কৰিছোঁ। অৱশ্যে, তোমালোক আটাইয়ে শুচি নোহোৱা। তোমালোকৰ মাজত এজনৰ অন্তৰ পৰিস্কাৰ নহয়।

**শিষ্যবিলাকঃ** তেওঁ বাৰু কাৰ বিষয়ে এনেকৈ কৈছে? তেওঁলোকে চিঞৰি কয়। কাৰ অপৰিস্কাৰ অন্তৰ আছে?

**বৰ্ণনাকাৰীঃ** যিহূদাই অন্তৰত কি ভাবিছে, শুনক।

**যিহূদা ঃ** শুনোতা সকলৰ ওচৰলৈ গৈ কয়। মই ভবাৰ দৰে যীচুৱে আমাক ৰোমীয় ৰাজনীতিৰ শাসনৰ পৰা মুক্ত কৰা নাই। মই তেওঁক তেওঁৰ শত্ৰুবোৰৰ হাতত বেচিম। (ঠাই এৰি যায়)

**যীচুঃ** মই তোমালোকৰ গুৰু আৰু প্ৰভু, কিন্তু এজন চাকৰৰ দৰে মই তোমালোকৰ ভৰি ধুৱাইছোঁ। তোমালোকেও পৰস্পৰে তেনে কৰা উচিত। তেতিয়া মই তোমালোকক আশীৰ্বাদ কৰিম।

**পিতৰঃ** আপোনাৰ উদাহৰণেৰে আপুনি আমাক ভালকৈ শিকালে। আমি সেই কথা কেতিয়াও নাপাহৰোঁ।

**বৰ্ণনাকাৰীঃ** নাটকত সহায় কৰা আটাইকে ধন্যবাদ জ্ঞাপন কৰে।

**প্ৰশ্নবোৰঃ** লৰা-ছোৱালীয়ে যদি নাটকখন বয়সীয়া সকলক কৰি দেখুৱালে তেনেহলে ওপৰৰ প্ৰশ্নবোৰো তেওঁলোকক সুধিবলৈ কওঁক।

**মুখস্থ পদঃ** ১ পিতৰ ৫:৫ঃ হে ডেকাবিলাক, তোমালোক বৃদ্ধলোকৰ বশীভূত হোৱা, এনে কি সকলোৱেই পৰস্পৰৰ হিতৰ কাৰণে নম্ৰতাৰূপ বস্ত্ৰেৰে কঁকাল বান্ধা, কিয়নো ঈশ্বৰে অহঙ্কাৰীবিলাকক প্ৰতিৰোধ কৰে, কিন্তু নম্ৰবিলাকক অনুগ্ৰহ দান কৰে।



**প্ৰশ্ন কৰক ঃ** আমি কেনেকৈ নম্ৰতাৰে লোকবিলাকৰ পৰিচৰ্য্যা কৰিব পাৰো? লৰা-ছোৱালীক উদাহৰণ দিবলৈ কওঁক।

**ব্যাখ্যা ঃ** এজনী পাতকী তিৰোতাই তাইৰ চকুৰ পানীৰে তেওঁৰ ভৰি ধুৱাবলৈ তাইৰ চুলিৰে মচি শুকুৱাইছিল। যি ধাৰ্মিক মানুহৰ ঘৰত এই ঘটনা ঘটিল, তেওঁ সেইদৰে কৰিবলৈ দিয়াত তেওঁ অৰিহনা দিছিল।

যীচুৱে উত্তৰ দি কলে, যিসকলক অধিক ক্ষমা কৰা হয়, তেওঁলোকক অধিক ভাল পোৱা হয় আৰু তেওঁ তাইৰ পাপ ক্ষমা কৰিলে (লূক ৭:৩৭-৪৮)

ভৰি দুখনৰ ছবি এখন **আঁকিবলৈ** দিয়ক। উপাসনাৰ সময়ত লৰা-ছোৱালীক এই ছবি বয়সীয়া সকলক দেখুৱাবলৈ দিয়ক লগতে ব্যাখা কৰক যে আমি পৰস্পৰে নম্ৰভাৱে পৰিচৰ্য্যা কৰাকে এই ছবিয়ে বুজায়। যেনেদৰে যীচুৱে শিষ্যবিলাকৰ ভৰি ধুইছিল আৰু আমাৰ পৰিচৰ্য্যা কৰে।



ফিলিপীয়া ২:৩-৮ পদ কেইটা চাৰিটা লৰা-ছোৱালীক এটাকৈ পদ আবৃতি কৰিবলৈ দিয়ক।

তোমালোক বিৰোধ বা অনৰ্থক দৰ্পেৰে একো নকৰিব, কিন্তু নম্ৰভাৱে নিজতকৈ অন্যক উত্তম বুলি মানিবা।

প্ৰতিজনে নিজৰ বিষয়ে নহয়, অন্যৰ বিষয়ে চাওঁক।

খ্ৰীষ্ট যীচুত যি ভাব, সেয়ে তোমালোকতো হওঁক, তেওঁ ঈশ্বৰৰূপী থাকোঁতে, ঈশ্বৰৰ সমান হোৱাকেই কাঢ়ি লোৱা বুলি নামানিলে, কিন্তু নিজক সৰু কৰি, দাসৰ ৰূপ ধাৰণ কৰি মানুহৰ নিচিনা হ'ল।

আৰু আকাৰ প্ৰকাৰত মানুহৰ দৰে হৈ নিজকে সৰু কৰি, মৃত্যুলৈকে, এনে কি ক্ৰুচীয় মৃত্যুলৈকে আজ্ঞাধীন হ'ল।

**প্ৰাৰ্থনাঃ** প্ৰিয় যীচু, আপুনি আমাৰ প্ৰভু আৰু শিক্ষক। আমি আপোনাৰ প্ৰশংসা কৰোঁ কাৰণ আপুনি নম্ৰভাৱে আনৰ পৰিচৰ্য্যা কৰিলে। আপোনাৰ আৰ্হি অনুকৰণ কৰিবলৈ আমাক সহায় কৰক। আন পৰিচৰ্য্যা কৰিবলৈকো আমাক সহায় কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net